# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 16-May-2026
**Time :** 1845 HRS

## *Assamese Evening Bulletin*

——————————————————————

## HEADLINES
::::::::::::::::::::

১। ৰাজ্যত উদ্যোগ প্ৰতিষ্ঠাৰ অনুকূল পৰিৱেশে বাহিৰৰ প্ৰতিষ্ঠানক অসমৰ প্ৰতি আগ্ৰহী কৰি তুলিছে বুলি মুখ্যমন্ত্ৰীৰ প্ৰকাশ। দিছপুৰত দেশৰ প্ৰথমটো কৃত্ৰিম বুদ্ধিমত্তা পৰিচালিত ফিজিটেল বেংকৰ মুখ্য শাখা মুকলি।

২। অসম চুক্তি ৰূপায়ণৰ কাম-কাজ শীঘ্ৰেই অধিক খৰতকীয়া কৰি তোলা হ'ব বুলি মন্ত্ৰী অতুল বৰাৰ প্ৰকাশ।

৩। ৰাজ্যজুৰি শ্ৰীশ্ৰীহৰিদেৱৰ ৪৬১ সংখ্যক তিৰোভাৱ তিথি পালন।

৪। ৰাষ্ট্ৰীয় ডেংগি দিৱস উপলক্ষে ৰাজ্যৰ কেইবাখনো জিলাত সজাগতামূলক সভা।

**আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি কলকাতা নাইট ৰাইডাৰ্ছ, গুজৰাট টাইটানছ মুখামুখি।

ooooo

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যত ঔদ্যোগিক পৰিৱেশ গঢ়ি উঠাৰ বাবে নতুন নতুন কোম্পানী উদ্যোগৰ ভেটি স্থাপন কৰিবলৈ অসমলৈ ধাৱমান হোৱা বুলি প্ৰকাশ কৰিছে। দিছপুৰত আজি দেশৰ প্ৰথমটো কৃত্ৰিম বুদ্ধিমত্তা পৰিচালিত ফিজিটেল স্লাইছ বেংকৰ মুখ্য শাখা মুকলি কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে শান্তি আৰু উন্নয়নৰ বাবে ৰাষ্ট্ৰীয় পৰ্যায়ৰ বৃহৎ প্ৰতিষ্ঠানসমূহে ৰাজ্যলৈ নিজৰ কাৰ্যালয় আনিবলৈ লৈছে। এই পৰিৱেশৰ ধাৰাবাহিকতা অব্যাহত ৰাখিব পাৰিলে ৰাজ্যৰ ল'ৰা-ছোৱালীয়ে বাহিৰলৈ গৈ কাম কৰিব নালাগে বুলি তেওঁ মন্তব্য কৰে। ড০ শৰ্মাই ইয়াক দায়িত্ব হিচাপে গ্ৰহণ কৰিবলৈ সকলোৰে প্ৰতি আহ্বান জনায়।

(বাইট ঃ ড০ শৰ্মা)

তেওঁ কয়, যে গুৱাহাটীত দেশৰ প্ৰথমটো ডিজিটেল আৰু কৃত্ৰিম বুদ্ধিমত্তাচালিত বেংক শাখা মুকলি হোৱাটোৱে দেশৰ বেংকিং খণ্ডৰ ভৱিষ্যৎ নিৰূপণ কৰাৰ ক্ষেত্ৰত অসমৰ পূৰ্ণ প্ৰস্তুতিকে সূচায়। ড০ শৰ্মাই কয়, যে অনন্য সেৱাৰে সমৃদ্ধ বেংকৰ আগমনে ৰাজ্যখনত প্ৰকৃত বিনিয়োগৰ পৰিৱেশ সৃষ্টি কৰিছে। ৰাজ্য চৰকাৰ অসমক দায়িত্বশীল আৰু প্ৰযুক্তিচালিত বিনিয়োগৰ মূল কেন্দ্ৰ হিচাপে গঢ়ি তুলিবলৈ বদ্ধপৰিকৰ বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

ooooo

ৰাজ্য চৰকাৰে অসম চুক্তি ৰূপায়ণ বিভাগৰ কামকাজৰ অগ্ৰগতিত গুৰুত্ব আৰোপ কৰিছে আৰু শীঘ্ৰেই এই সম্পৰ্কীয় কামকাজ ত্বৰান্বিত কৰা হ'ব। মন্ত্ৰী অতুল বৰাই আজি নতুন বিভাগৰ দায়িত্ব গ্ৰহণ কৰাৰ পাছত এই কথা সদৰি কৰে। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, আবকাৰী, সীমান্ত সুৰক্ষা আৰু উন্নয়ন তথা অসম চুক্তি ৰূপায়ণ দপ্তৰৰ দায়িত্ব

লাভ কৰা মন্ত্ৰীগৰাকীয়ে আজি আটাইকেইটা বিভাগৰে কামকাজ পৰ্যালোচনা কৰাৰ বাবে প্ৰথমখন বৈঠকত মিলিত হয়। তেওঁ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অধীনত ৰূপায়ণ হৈ থকা বিভিন্ন আঁচনি আৰু কাৰ্যসূচীৰ স্থিতিৰ বিষয়ে বুজ লয়। আত্মসহায়ক গোটসমূহৰ প্ৰচেষ্টাত ৰাজ্যজুৰি প্ৰায় ৯ লাখ মহিলা লাখপতি বাইদেউলৈ পৰিণত হোৱাটো ইতিবাচক দিশ বুলি তেওঁ উল্লেখ কৰে। এই সন্দৰ্ভত সাংবাদিকৰ আগত মন্ত্ৰীগৰাকীয়ে এইদৰে কয়-

(বাইট)

০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত আজি খনি আৰু খনিজ বিভাগৰ এখন বিস্তৃত পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। বৈঠকত ভূ-তত্ব আৰু খনন সঞ্চালকালয়, এম এম ডি চি এন এল আৰু এ এইছ্ ই চি এলৰ কামকাজৰ পৰ্যালোচনা কৰা হয়। বৈঠকত এই বিভাগসমূহে যোৱা ৫ বছৰত লাভ কৰা সাফল্য আৰু পৰৱৰ্তি পাঁচ বছৰৰ বাবে ল'বলগীয়া উন্নয়নমূলক কামকাজৰ বিষদ পৰিকল্পনা সম্পৰ্কে আলোচনা কৰা হয়। ইয়াৰ উপৰি খনন খণ্ডৰ সংস্কাৰ, খনিৰ নিলাম, ৰাজহ বৃদ্ধিৰ পৰিকল্পনা, খনিৰ লিজ ব্যৱস্থাপনা আৰু দুৰ্লভ খনিজ সম্পদৰ অন্বেষণৰ বিষয়লৈও বৈঠকত আলোচনা কৰা হয়।

০০০০০

ছিকিমে আজি ইয়াৰ ৫১ সংখ্যক প্ৰতিষ্ঠা দিৱস উদযাপন কৰিছে। ১৯৭৫ চনৰ আজিৰ দিনটোতে ৰাজ্যখনৰ আনুষ্ঠানিকভাৱে ভাৰতৰ সৈতে চামিল হৈছিল।

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ নেতৃত্বত আজি লোকভৱনত ছিকিমৰ প্ৰতিষ্ঠা দিৱস পালন কৰা হয়। এই উপলক্ষে ৰাজ্যপালগৰাকীয়ে ছিকিমৰ জনসাধাৰণক ওলগ জনাই আৰু ৰাজ্যখনক শান্তি, প্ৰগতি, পৰিৱেশ সংৰক্ষণ তথা জাতিয় গৌৰৱৰ প্ৰতিক বুলি অভিহিত কৰে। তেওঁ কয়, যে ছিকিমে দেশৰ প্ৰথমখন পূৰ্ণাংগ জৈৱিক সামগ্ৰী উৎপাদিত ৰাজ্য হিচাপে পৰিগণিত হৈ বহনক্ষম উন্নয়নৰ আৰ্হি হৈ পৰিছে আৰু পৰিৱেশ সংৰক্ষণৰ সৈতে কিদৰে অৰ্থনৈতিক বিকাশৰ দিশত অগ্ৰসৰ হ'ব পাৰি সেয়া প্ৰতিপন্ন কৰিছে।

০০০০০

যোড়শ অসম বিধানসভাৰ প্ৰথমখন অধিৱেশন ২১ মে'ৰ পৰা অনুষ্ঠিত হ'ব। অধিৱেশনৰ প্ৰথম দিনা অস্থায়ী অধ্যক্ষ চন্দ্ৰমোহন পাটোৱাৰীয়ে নৱনিৰ্বাচিত বিধায়কসকলক শপতবাক্য পাঠ কৰাব। অধিৱেশনৰ দিন চমু চাপৰ অহাৰ লগে লগে বিধানসভাত বিৰোধী পক্ষৰ দলপতি থাকিবনে নাই তাক লৈ জল্পনা-কল্পনা আৰম্ভ হৈছে। পূৰ্বতে বিৰোধীৰ দলপতিৰ মৰ্যাদা লাভ কৰিবলৈ ২১ গৰাকী সদস্যৰ প্ৰয়োজন আছিল যদিও সংশোধনীৰ জৰিয়তে এই সংখ্যা ১৩ লৈ হ্ৰাস কৰা হৈছে। বিধানসভাৰ সচিব দুলাল পেগুৱে আজি এইদৰে প্ৰকেশ কৰে। তেওঁ কয়, যে বিৰোধী দলপতি দিয়া-নিদিয়া সন্দৰ্ভত অধ্যক্ষই সিদ্ধান্ত ল'ব।

(বাইট)

উল্লেখযোগ্য যে, শেহতীয়া নিৰ্বাচনত বিজেপিয়ে নিৰংকুশ সংখ্যাগৰিষ্ঠতা লাভ কৰাৰ বিপৰীতে কংগ্ৰেছে ১৯ খন আসনহে লাভ কৰিবলৈ সমৰ্থ হৈছে।

০০০০০

ৰাজ্যৰ ভক্তি আন্দোলনৰ অন্যতম হোতা বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰক শ্ৰী শ্ৰী হৰিদেৱৰ আজি ৪৬১ সংখ্যক তিৰোভাৱ তিথি। শ্ৰীশ্ৰী হৰিদেৱে সমাজক আধ্যাত্মিকতাৰ অমলিন বাট দেখুৱাই মানেৰি, বহৰি, কৈহাটী আদি সত্ৰসমূহ স্থাপন

কৰিছিল। ইয়াৰ উপৰি তেওঁ শৰণ সংহিতা, ভক্তিৰস তৰংগিনী, হৰিনাম কীৰ্তন পদ্ধতি আদি আপুৰুগীয়া গ্ৰন্থৰ ৰচনাৰে অসমীয়া ভাষাক সমৃদ্ধ কৰি থৈ গৈছে। ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি শ্ৰী শ্ৰী হৰিদেৱৰ তিৰোভাৱ তিথি পালন কৰা হৈছে। গুৰুজনাই স্থাপন কৰা বৰপেটা জিলাৰ আদিসত্ৰ বহৰীত পুৱা উষা কীৰ্তনেৰে দিনজোৰা কাৰ্যসূচী আৰম্ভ কৰা হয়। ইয়াৰ পাছতেই নাম প্ৰসংগ কাৰ্যসূচী অনুষ্ঠিত হয়। তিৰোভাৱ তিথি উপলক্ষে  আয়তি আৰু ভকতৰ প্ৰসংগ, ৰাজহুৱা নাম, দিহা নাম, ধৰ্মালোচনী সভা আদিৰ আয়োজন কৰা হৈছে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই তিৰোভাৱ তিথি উপলক্ষে শ্ৰীশ্ৰী হৰিদেৱলৈ শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত কয় যে ভক্তি, শান্তি আৰু মানৱতাৰ বাণীৰে সমাজক আলোকিত কৰা গুৰুজনাৰ আদৰ্শৰাজিয়ে আমাক সদায় অনুপ্ৰাণিত কৰি থাকিব। তেওঁ লগতে গুৰুজনাই দেখুওৱা সম্প্ৰীতি আৰু সদ্ভাৱনাৰ পথ অনুসৰণ কৰি এখন শক্তিশালী অসম গঢ়াৰ বাবে সংকল্প ল'বলৈ সকলোৰে প্ৰতি আহ্বান জনায়।

০০০০০

আজি ৰাষ্ট্ৰীয় ডেংগি দিৱস। স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ে আনুষ্ঠানিকভাৱে ঘোষণা কৰা এই দিৱসৰ জৰিয়তে ডেংগিৰ বিষয়ে জনসাধাৰণৰ মাজত সজাগতা সৃষ্টি আৰু এই ৰোগ প্ৰতিৰোধৰ উপায়ৰ বিষয়ে অৱগত কৰাৰ প্ৰয়াস কৰি অহা হৈছে। এই দিৱসৰ জৰিয়তে মহৰ প্ৰজনন ৰোধ কৰাৰ বাবে আবদ্ধ পানী নিষ্কাষণ আৰু পানীৰ টেংকসমূহৰ সঠিক তদাৰককে ধৰি সৰল নিয়ন্ত্ৰণ কৌশলৰ প্ৰসাৰত গুৰুত্ব দিয়া হয়।

দেশৰ বাকী অংশৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি ৰাষ্ট্ৰীয় ডেংগি দিৱস উপলক্ষে সজাগতামূলক কাৰ্যসূচী গ্ৰহণ কৰা হয়। হাইলাকান্দি জিলাত জিলা স্বাস্থ্য বিভাগৰ উদ্যোগত আজি হৰকিশোৰ মাধ্যমিক বিদ্যালয়ত সজাগতা সভাৰ আয়োজন কৰা হয়। এই অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীসকলক ডেংগি ৰোগৰ কাৰণ, লক্ষণ আৰু প্ৰতিৰোধৰ উপায় সম্পৰ্কে অৱগত কৰোৱা হয়। অনুষ্ঠানত শিক্ষাৰ্থীসকলৰ বিনামূলীয়া তেজ পৰীক্ষাৰ ব্যৱস্থাও কৰা হয়।

পশ্চিম কাৰ্বি আংলং জিলাতো ৰাষ্ট্ৰীয় ডেংগি দিৱস উপলক্ষে জিলা স্বাস্থ্য বিভাগ তথা ৰাষ্ট্ৰীয় বাহকজনিত ৰোগ প্ৰতিৰোধ বিভাগৰ উদ্যোত আজি খেৰনি উচ্চতৰ মাধ্যমিক বিদ্যালয়, বৰকক আয়ুষ্মাণ আৰোগ্য মন্দিৰ, উমপানাই মধ্য ইংৰাজী বিদ্যালয় আৰু হামৰেন জিলা চিকিৎসালয়ত সজাগতা সভা অনুষ্ঠিত কৰা হয়।

একেদৰে ধুবুৰী জিলাত যুটীয়া স্বাস্থ্য সঞ্চালকালয়ৰ কাৰ্যালয়ত ডেংগি দিৱসৰ সৈতে সংগতি ৰাখি সজাগতা সভাৰ আয়োজন কৰা হয়। সভাত মহৰ প্ৰজনন ৰোধ কৰি এই ৰোগ প্ৰতিৰোধৰ বিষয়ে অৱগত কৰোৱা হয়।

স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জে পি নাড্ডাই ডেংগি ৰোগৰ বিষয়ে সজাগতা সৃষ্টিৰ বাবে আৰু নিজৰ চৌপাশৰ অঞ্চলসমূহ পৰিস্কাৰ কৰি ৰখাৰ বাবে সজাগতা সৃষ্টিৰ বাবে জনসাধাৰণক আগবাঢ়ি আহিবলৈ আহ্বান জনাইছে। ৰাষ্ট্ৰীয় ডেংগি দিৱস উপলক্ষে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত শ্ৰীনাড্ডাই কয় যে চৰকাৰে বৰ্ধিত নিৰীক্ষণ, সম্প্ৰসাৰিত পৰীক্ষণ, উন্নত চিকিৎসা আৰু ব্যাপক সজাগতা অভিযানৰ মাধ্যমেৰে এই ৰোগ প্ৰতিৰোধৰ প্ৰচেষ্টা সুদৃঢ় কৰাৰ বাবে কাম কৰি আহিছে।

০০০০০

শ্ৰীভূমি জিলাৰ নগৰীয়া অঞ্চলত পানী জমা হোৱা তথা কৃত্ৰিম বান ৰোধ কৰিবলৈ জিলা প্ৰশাসনে ব্যৱস্থা গ্ৰহণ কৰিছে। প্ৰাকৃতিক আৰু অন্যান্য নিষ্কাষণ ব্যৱস্থা, ৰাষ্ট্ৰীয় ঘাইপথ, ৰাজ্যিক পথ, চৰকাৰী ভূমি, নলা আদিৰ ওপৰত অবৈধ দখল আঁতৰাবলৈ প্ৰশাসনে নিৰ্দেশ দিছে। জিলাখনৰ আয়ুক্ত তথা দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষৰ অধ্যক্ষই জাৰি

কৰা নিৰ্দেশনা অনুসৰি অবৈধ দখল তৎক্ষণাত আঁতৰাই পেলাবলৈ কোৱা হৈছে। অৱশ্যে উচ্ছেদ আৰম্ভ কৰাৰ আগতে সংশ্লিষ্ট লোকসকলক আগতীয়াকৈ অৱগত কৰাবলৈ কোৱা হৈছে। উল্লেখযোগ্য যে ২০০৫ চনৰ দুৰ্যোগ ব্যৱস্থাপনা আইনৰ ৩০, ৩৪, ৪১ আৰু ৫১ নম্বৰ ধাৰাৰ অধীনত জনসাধাৰণৰ স্বাৰ্থত এই আদেশ জাৰি কৰা হৈছে। বৰষুণৰ ফলত পানী জমা হৈ সাধাৰণ জনতাৰ অসুবিধা নহ'বলৈ এই ব্যৱস্থা কৰা হৈছে বুলি প্ৰশাসনে জানিবলৈ দিছে।

০০০০০

ভাৰত চৰকাৰৰ জনজাতি পৰিক্ৰমা মন্ত্ৰালয়ে গ্ৰহণ কৰা **জন ভাগীদাৰী সবচে দূৰ সবচে পেহলে** শীৰ্ষক কাৰ্যসূচী ৰূপায়ণ কৰাৰ বাবে গোৱালপাৰা জিলা প্ৰশাসনে আয়ুক্তৰ কাৰ্যালয়ত আজি এখন প্ৰস্তুতিমূলক সভাৰ আয়োজন কৰে। জিলাখনৰ আয়ুক্ত প্ৰদীপ টিমুঙৰ সভাপতিত্বত অনুষ্ঠিত এই সভাত জিলাখনৰ ৰংজুলি, দুধনৈ, পাইকান, বালিজানা, শ্ৰীসূৰ্যগিৰি আৰু লক্ষীপুৰ উন্নয়ন খণ্ডৰ অন্তৰ্গত বিভিন্ন জনজাতীয় গাঁৱত এই অভিযানৰ অধীনত শিবিৰ অনুষ্ঠিত কৰা হ'ব। এই শিবিৰসমূহত চৰকাৰৰ বিভিন্ন আঁচনিৰ লগত জড়িত বিষয়া, গাঁও পঞ্চায়তৰ সচিবকে ধৰি বিভিন্ন সেৱাৰ ব্যক্তিয়ে জনজাতীয় লোকসকলৰ প্ৰয়োজন অনুসৰি ব্যৱস্থা হাতত ল'ব। শিবিৰসমূহত বিনামূলীয়া স্বাস্থ্য পৰীক্ষা, প্ৰতিষেধক প্ৰদান, পোষণ অভিযানৰ সুবিধা, ৰেচন কাৰ্ড, আধাৰকাৰ্ড, আয়ুষ্মান কাৰ্ড, পি এম মুদ্ৰা যোজনা আদি প্ৰদান কৰা হ'ব। তদুপৰি জাতিৰ প্ৰমাণপত্ৰ, স্থায়ী বাসিন্দাৰ প্ৰমাণপত্ৰ আদি সেৱাৰ বাবে অনলাইন আবেদনসমূহো এই শিবিৰতে নিষ্পত্তি কৰাৰ ব্যৱস্থা কৰা হ'ব। জিলা প্ৰশাসনে পৰহিলৈ আমজোঙাত থকা সংহত জনজাতি উন্নয়ন প্ৰকল্প বিষয়াৰ কাৰ্যালয়ত এই কাৰ্যসূচী মুকলি কৰিব।

০০০০০

জৰায়ুৰ মুখৰ কৰ্কট ৰোগ প্ৰতিৰোধ কৰাৰ উদ্দেশ্যে মৰিগাঁও জিলাৰ ১৪-১৫ বয়সৰ কিশোৰীসকলক পৰহিলৈৰ পৰা এইচ পি ভি প্ৰতিষেধক প্ৰদানৰ দিহা কৰা হৈছে। জিলাখনৰ ৩০টা কেন্দ্ৰত এই বিশেষ প্ৰতিষেধক প্ৰদান অভিযান চলোৱা হ'ব। আজি জিলাখনৰ স্বাস্থ্য বিভাগৰ অতিৰিক্ত জিলা আয়ুক্ত নীতিশা বৰাৰ সভাপতিত্বত জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত এই সন্দৰ্ভত এখন পৰ্যালোচনা সভা অনুষ্ঠিত হয়। সভাত এই অভিযানৰ অগ্ৰগতিৰ লগতে শিক্ষানুষ্ঠানসমূহলৈ ইয়াৰ সম্প্ৰসাৰণৰ প্ৰস্তুতিৰ বুজ লয়। অহা ৩১ মে'লৈকে চলিবলগা এই অভিযানত জিলাখনৰ ৯ হাজাৰ ৫৭৬ গৰাকী কিশোৰীক প্ৰতিষেধক প্ৰদানৰ লক্ষ্য লোৱা হৈছে। সভাত বিদ্যালয়সমূহৰ পৰিদৰ্শক ডাঃ অপূৰ্ব ঠাকুৰীয়া, সহকাৰী আয়ুক্ত সন্তোষ বুঢ়াগোহাঁই, যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ শৈলেন্দ্ৰ বৰ্ধন বৰা আদিকে ধৰি স্বাস্থ্য আৰু শিক্ষা বিভাগৰ বিষয়ববীয়াসকল উপস্থিত থাকে।

০০০০০

বজালী জিলাৰ ভৱানীপুৰত যোৱা ২৮ এপ্ৰিলত সংঘটিত ডকাইতি ঘটনাৰে জড়িত মূল অভিযুক্তৰ লগতে আন এজনক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। ভৱানীপুৰ আৰক্ষী চকীৰ অন্তৰ্গত লুৱাশুৰ গাঁৱৰ কাঁহ-পিতলৰ সামগ্ৰীৰ ব্যৱসায়ী এজনৰ পৰা বুজন পৰিমাণৰ নগদ ধন আৰু বাহন কাঢ়ি লৈ যোৱাৰ পাছত ব্যৱসায়ীজনে দিয়া এজাহাৰৰ ভিত্তিত ভৱানীপুৰ আৰক্ষীয়ে এই ডকাইতি কাণ্ডৰ অনুসন্ধান আৰম্ভ কৰিছিল। আৰক্ষীয়ে এই ঘটনাৰ সৈতে জড়িত বৰপেটাৰ সমীপৰ কলগাছিয়া গাঁৱৰ ছাহেদ খান আৰু তেওঁৰ সহযোগী একেখন গাঁৱৰে আলী হুছেইনক আটক কৰিবলৈ সমৰ্থ হৈছে। আৰক্ষীয়ে আটকাধীন ডকাইত দুজনৰ পৰা এখন চাৰিচকীয়া বাহনৰ লগতে চোকা অস্ত্ৰ উদ্ধাৰ কৰিছে। বৰ্তমান আৰক্ষীয়ে জেৰা অব্যাহত ৰাখিছে।

০০০০০

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগৰ দৃষ্টিপাত অনুষ্ঠানত আজি নিশা ৮ বাজি ২ মিনিটত উমৈহতীয়া দেৱানী বিধি সম্পৰ্কীয় এটি আলোচনা প্ৰচাৰ কৰা হ'ব। আলোচনাত অংশগ্ৰহণ কৰিব জ্যেষ্ঠ অধিবক্তা আব্দুৰ ৰাজ্জাক ভূঞা আৰু অধিবক্তা জ্যোতিস্মিতা শৰ্মাই। শ্ৰোতাসকলে অনুষ্ঠান চলি থকাৰ সময়ত ০৩৬১-২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ নম্বৰত ফোন কৰি সমল ব্যক্তি দুগৰাকীক বিষয়টো সন্দৰ্ভত প্ৰশ্ন সুধিব পাৰিব। অনুষ্ঠানটিৰ আঁত ধৰিব অৰুণিমা গোস্বামী আৰু অৰূপ কুমাৰ শৰ্মাই। অনুষ্ঠানটিৰ প্ৰযোজনা আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি কলকাতাৰ ইডেন গাৰ্ডেনছত হ'বলগীয়া এখন খেলত কলকাতা নাইট ৰাইডাৰ্ছ গুজৰাট টাইটানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

প্ৰতিযোগিতাত যোৱানিশা লক্ষ্ণৌৰ একনা ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত লক্ষ্ণৌ চুপাৰ জায়েণ্টছে, চেন্নাই চুপাৰ কিংছক ৭ উইকেটত পৰাস্ত কৰে।

ooooo

ডিব্ৰুগড়ৰ কছাৰীবাৰী মানকটাৰ সৰ্বৰহী মহিলা, সমাজকৰ্মী মীৰা সোণোৱালৰ আজি পুৱা নিজা বাসভৱনত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮৫ বছৰ। প্ৰয়াত সোণোৱাল পূবেৰুণ সংঘ আৰু মানকটা শাখা সাহিত্য সভাৰ প্ৰতিষ্ঠাকালৰ সদস্যা আৰু কছাৰীবাৰী ৰঙালী বিহু সন্মিলনৰ প্ৰাক্তন সভানেত্ৰী আছিল। তেওঁৰ মৃত্যুত বহু লোক, অনুষ্ঠান-প্ৰতিষ্ঠান আৰু দল-সংগঠনে শোক প্ৰকাশ কৰিছে।

ooooo

সমাপ্ত